# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

ৰাজ্য চৰকাৰৰ **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অংশ হিচাপে আজি লখিমৰপুৰ আৰু ওদালগুৰি জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই কাৰ্যসূচীৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লখিমপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰা হয়। চকুলিভৰীয়াৰ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ খেলপথাৰৰ সমীপত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ফটাসুঁতিঘাটৰ ৰঙানদীৰ পকী দলং উদ্বোধন কৰে। একেদৰে আজাদত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটোও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। ইয়াৰ লগতে তেওঁ ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লখিমপুৰৰ চৰকাৰী নাৰ্চিং মহাবিদ্যালয়ৰ শৈক্ষিক ভৱন আৰু হোষ্টেলৰ আধাৰশিলা স্থাপন কৰাৰ লগতে বগীনদীত প্ৰেক্ষাগৃহসহ এটা অতিথিশালাৰ ভূমি পূজনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে বানত ক্ষতিগ্ৰস্ত ২২ হাজাৰ ৬৩৬টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩৫৪ গৰাকী সদস্যকো ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ কাৰণে আজিৰ অনুষ্ঠানত এক কোটি ২৭ লাখ টকাৰ প্ৰাৰম্ভিক মূলধন আগবঢ়োৱা হয়।

ooooo

নতুন বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ বিধান সভা সমষ্টিৰ চকুলিভৰীয়াত ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। নতুন ৰেচন কাৰ্ডসমূহ বিতৰণ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এতিয়াৰ পৰা ৰেচন কাৰ্ড থকা হিতাধিতকাৰীয়েহে অৰুণোদয় আঁচনিৰ সুবিধাসমূহ লাভ কৰিব বুলি ঘোষণা কৰে।

আনহাতে ধেমাজিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত মন্ত্ৰী প্ৰশান্ত ফুকন, টিহুত চন্দ্ৰমোহন পাটোৱাৰী, কাছাৰৰ কাটিগড়াত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বজালী জিলাৰ সৰুপেটা আৰু তামুলপুৰতো মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ভাৰ্চুৱেলী ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচী আৰম্ভ কৰে। বিজনীতো বিধায়ক অজয় কুমাৰ ৰায়ৰ উপস্থিতিত নতুন ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ কৰা হয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ত ৰাজ্যৰ ১৬ জিলাৰ মুঠ ৫ লাখ ১৯ হাজাৰ ৩৬৫ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বছৰৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব।

ooooo

নৱভাৰত সাক্ষৰতা অভিযানৰ অধীনত উল্লাস আঁচনিৰ বুনিয়াদী সাক্ষৰতা আৰু গাণনিক অৰ্হতা প্ৰাপ্তিৰ মূল্যায়ন আজি মৰিগাঁও জিলাত সম্পন্ন হয়। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ জ্যেষ্ঠ শিক্ষা উপদেষ্টা কুলদ্বীপ কুমাৰে জিলাখনৰ কাৰাগাৰ শিক্ষা কেন্দ্ৰ, পশ্চিম কোমোৰাগুৰি আৰু জালুগুটিৰ লোচোনাবাৰী পৰীক্ষা কেন্দ্ৰত মূল্যায়ন প্ৰক্ৰিয়া পৰিদৰ্শন কৰে। শিক্ষা উপদেষ্টাগৰাকীয়ে শিকাৰুসকলৰ উৎসাহত অভিভূত হোৱাৰ লগতে জিলা প্ৰশাসনে পৰীক্ষা পৰিচালনাৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাপনাৰ ভূয়সী প্ৰশংসা কৰে। কাৰাগাৰৰ নিৰক্ষৰ কয়দীসকলৰ সাক্ষৰতাৰ বাবে বিভাগীয় কৰ্তৃপক্ষই হাতত লোৱা উদ্ভাৱনীমূলক প্ৰচেষ্টাৰ প্ৰশংসা কৰি শ্ৰীকুমাৰে কয়, যে নিৰক্ষৰতা নিৰ্মূল কৰিলেহে সমাজৰ সামগ্ৰিক কল্যাণ সম্ভৱপৰ হ'ব।

ooooo

সমাজকৰ্মী তথা মাইতি নেপালৰ প্ৰতিষ্ঠাপক, ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনুৰাধা কৈৰালাক আজি উপেন্দ্ৰ নাথ ব্ৰহ্ম মানৱতাৰ সৈনিক বঁটা ২০২৪ প্ৰদান কৰা হয়। কোকৰাঝাৰ জিলাৰ চান্দামাৰীত অৱস্থিত বড়োফা সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাস আৰু সদৌ বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে এটা স্মাৰক, ২ লাখ টকা আৰু আৰনাইৰ লগতে পৰম্পৰাগত বড়ো সাজপাৰ।

ooooo

সাহিত্য একাডেমী বঁটা প্ৰাপক বিশিষ্ট ঔপন্যাসিক জয়ন্ত মাধৱ বৰাক আজি শিৱসাগৰত ২০২৪ বৰ্ষৰ বাক্য সাহিত্য বঁটা প্ৰদান কৰা হয়। শিৱসাগৰ প্ৰেছ ক্লাৱত আয়োজিত এটা অনুষ্ঠানত অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান বাক্যই আগবঢ়োৱা এই বঁটা লোকসংস্কৃতিৰ গৱেষক ড০ অনিল শইকীয়াই ঔপন্যাসিকগৰাকীক প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানতে ড০ ৰীতামণি বৰাৰ গল্পসংকলন, সত্যজিৎ নাথৰ কাব্য সংকলন, মিণ্টু সাগৰ দাসৰ গ্ৰন্থ আৰু কাব্য আলোচনী **ভাষা**ও উন্মোচন কৰা হয়। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাব তথা গড়গাঁও মহাবিদ্যালয়ৰ সভাপতি ড০ সব্যসাচী মহন্ত, বিশিষ্ট কবি গংগামোহন মিলি আৰু বুৰঞ্জীবিদ নবীন বুঢ়াগোঁহায়ো উপস্থিত থাকে।

ooooo

নগাঁও জিলাৰ কলিয়াবৰ চাহ বাগিছাৰ ১৩ নম্বৰ বাগানৰ সীমাত ঢেকিয়াপতিয়াৰ আক্ৰমণত নিহত এজন লোকৰ আজি ছিন্ন মুণ্ড উদ্ধাৰ কৰা হয়। মৃত লোকজন কলিয়াবৰ বাগিছাৰ বৰলাইনৰ বাসুদেৱ কৰ্মকাৰ বুলি জানিব পৰা গৈছে। এই ঘটনাৰ পাছত শিলঘাট তহলদাৰী আৰক্ষী চকীৰ সন্মুখত অঞ্চলটোৰ একাংশ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক কাৰ্যব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতেই ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত প্ৰতিবাদস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। তেওঁ স্থানীয় ৰাইজক বাঘটোক কৰায়ত্ত কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। ঢেকিয়াপতিয়াৰ আক্ৰমণত নিহত আৰু আহত লোকক উপযুক্ত ক্ষতিপূৰণ দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে। তেওঁ জনসাধাৰণৰ সুৰক্ষাৰ বাবে অতিৰিক্ত বন সুৰক্ষা বাহিনী নিয়োগ কৰা হ'ব বুলি জানিবলৈ দিয়ে। পাছত মন্ত্ৰীগৰাকীয়ে বাঘৰ আক্ৰমণস্থলীও পৰিদৰ্শন কৰে।

ooooo

অসমীয়া গদ্য সাহিত্যৰ জনক শ্ৰীশ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ  ৩৮৬ সংখ্যক তিৰোভাৱ তিথি আজি শ্ৰী দেৱদামোদৰ সংঘৰ উদ্যোগত মৰিগাঁৱত গদ্য সাহিত্য দিৱস হিচাপে পালন কৰা হয়। সংঘৰ মৰিগাঁও জিলাৰ সংঘাধিকাৰ পোৱাল চন্দ্ৰ গোস্বামীয়ে পুৰা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পাছত শ্ৰীশ্ৰী

বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিত মৰিগাঁও বৰ্ণসত্ৰৰ ডেকা সত্ৰাধিকাৰ পংকজ গোস্বামীয়ে মাল্যাৰ্পণ কৰে। দিনৰ ভাগত অসমীয়া গদ্য সাহিত্যৰ জনক শ্ৰীশ্ৰী ভট্টদেৱৰ সাহিত্যকৃতি শীৰ্ষক এখন আলোচনাচক্ৰ কেন্দ্ৰীয় সংঘাধিকাৰ প্ৰণৱ শৰ্মাই সঞ্চালনা কৰে। আলোচনাচক্ৰত তিৱা ভাষাৰ গৱেষক মনেশ্বৰ দেউৰী আৰু জ্যেষ্ঠ সাংবাদিক জনাৰ্দন শৰ্মায়ো অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত